# Newspaper Cutting
# 2021



নিয়মীয়া বাৰ্তা

দেওবাৰ, ২৮ নৱেম্বৰ, ২০২১

## গুঃবিঃ, হিতেশ্বৰ শইকীয়া মহাবিদ্যালয় এনএছএছ গোটৰ সংবিধান দিৱস পালন

মহানগৰ বাৰ্তা, আজাৰা,২৭ নৱেম্বৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষ আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কলেজ এন এছ এছ গোটৰ যৌথ সহযোগত ২৬ নৱেম্বৰত ৱেবিনাৰৰ মাধ্যমত সংবিধান দিৱস উদ্‌যাপন কৰা হয়। ৱেবিনাৰৰ আৰম্ভণিতে অতিথি আৰু অংশগ্ৰহণকাৰীক আদৰণি জনাই হিতেশ্বৰ শইকীয়া কলেজৰ অধ্যক্ষ ড° শিখামণি কোঁৱৰে সংবিধান দিৱসৰ সংক্ষিপ্ত ভূমিকা আৰু উদ্দেশ্য দাঙি ধৰে। ৱেবিনাৰখন উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক তথা এন এছ এছৰ কাৰ্যসূচী সমন্বয়ক ড° ৰঞ্জন কুমাৰ কাকতিয়ে। তেওঁ ভাৰতীয় সংবিধান সম্পৰ্কে বহুতো নিৰ্দিষ্ট বিষয় তুলি ধৰে। কাকতিয়ে স্বেচ্ছাসেৱকসকলক সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰাই অংশগ্ৰহণকাৰীসকলৰ উদ্দেশ্যি কয়— আমাৰ সংবিধান সম্পৰ্কে কিছু প্ৰাথমিক ধাৰণা থকাটো অতি গুৰুত্বপূৰ্ণ, যি আমাৰ দৈনন্দিন জীৱনত প্ৰভাৱ পেলাবে। ৱেবিনাৰখনত মুখ্য বক্তা হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ ডীন প্ৰফেছৰ স্তুতি ডেকা। তেওঁ ভাৰতৰ সংবিধানৰ ওপৰত মূল্যবান বক্তৃতাৰে ভাৰতীয় সংবিধানৰ উদ্দেশ্য আৰু দৰ্শনৰ বিষয়ত বৰ্ণনা কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় হিতেশ্বৰ শইকীয়া কলেজৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক তথা এন এছ এছৰ কাৰ্যসূচী বিষয়া ড° নুৰুল ইছলামে।

আমাৰ অসম

[illegible] অক্টোবৰ, ২০২১ বৃহস্পতিবাৰ, গুৱাহাটী

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত গ্ৰন্থমেলা



'আমাৰ অসম'ৰ মহানগৰ বাতৰি, ২৭ অক্টোবৰ ঃ মহানগৰীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ উমাচৰণ বণিয়া লাইব্ৰেৰী এণ্ড এডুকেছন চেণ্টাৰত মঙল আৰু বুধবাৰে দুদিনীয়াকৈ এখনি গ্ৰন্থমেলাৰ আয়োজন কৰা হয়। মঙলবাৰে পুৱাৰ আগত গ্ৰন্থমেলাখনি উদ্বোধন কৰি অধ্যক্ষা ড° শিখামণি কোঁৱৰে গ্ৰন্থ আৰু ছাত্ৰ-ছাত্ৰীৰ পবিত্ৰ সম্পৰ্ক আৰু জ্ঞানৰ বিষয়ে মন্তব্য আগবঢ়ায়। তেওঁ এইধৰণৰ গ্ৰন্থমেলাই ছাত্ৰ-ছাত্ৰীক কিতাপৰ ওচৰ চপাই আনে। অনুষ্ঠানটিৰ আঁত ধৰে লাইব্ৰেৰীয়ান গীতিকা দাসে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° মৌচুমী বৰদলৈ হাজৰিকা, অধ্যাপিকা ইন্দ্ৰানী গগৈ পানীফুকন, অধ্যাপক ড° অনুপ কুমাৰ ডেকা, ড° নুৰুল ইচলাম, লাইব্ৰেৰী সহায়িকা ৰীতা গোহাঁই, কাৰ্যালয়ৰ কৰ্মচাৰী অনামিকা গগৈ, মাধুৰীমা চেতিয়া আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে।

নিয়মীয়া বাৰ্তা

একাদশ বছৰ, সংখ্যা ২৩.
১০ কাতি, ১৯৪৩ শক

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত দুদিনীয়া গ্ৰন্থমেলা

**গুৱাহাটী, ২৭ অক্টোবৰ ঃ** গুৱাহাটীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ উমাচৰণ বণিয়া লাইব্ৰেৰী এণ্ড এডুকেচন চেণ্টাৰত যোৱা ২৬ আৰু ২৭ অক্টোবৰত দুদিনীয়াকৈ এখন গ্ৰন্থমেলাৰ আয়োজন কৰা হয়। ২৬ অক্টোবৰৰ পুৱা ১০ বজাত গ্ৰন্থমেলাখন উদ্বোধন কৰি অধ্যক্ষা ড° শিখামণি কোঁৱৰে গ্ৰন্থ আৰু ছাত্ৰ-ছাত্ৰীৰ পবিত্ৰ সম্পৰ্ক আৰু জ্ঞানৰ বিষয়ে মন্তব্য আগবঢ়ায়। তেওঁ মন্তব্য কৰে যে এইধৰণৰ গ্ৰন্থমেলাই ছাত্ৰ-ছাত্ৰীক কিতাপৰ ওচৰ চপাই আনে। অনুষ্ঠানটোৰ আঁত ধৰে লাইব্ৰেৰিয়ান গীতিকা দাসে। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° মৌচুমী বৰদলৈ হাজৰিকা, অধ্যাপিকা ইন্দ্ৰানী গগৈ পানীফুকন, অধ্যাপক ড° অনুপ কুমাৰ ডেকা, ড° নুৰুল ইছলাম, লাইব্ৰেৰী সহায়িকা ৰীতা গোহাঁই, কাৰ্যালয়ৰ কৰ্মচাৰী অনামিকা গগৈ, মাধুৰীমা চেতিয়া আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।



আমাৰ অসম
২৬ ছেপ্টেম্বৰ, ২০২১ দেওবাৰ, গুৱাহাটী

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতিষ্ঠা দিৱস



**'আমাৰ অসম'ৰ মহানগৰ বাতৰি, ২৫ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতিষ্ঠা দিৱস আজি উদ্‌যাপন কৰা হয়। পুৱাৰ ভাগত এনএছএছৰ পতাকা উত্তোলন কৰি অধ্যক্ষা ড° শিখামণি কোঁৱৰে ৰাষ্ট্ৰীয় সেৱা আঁচনি প্ৰতিষ্ঠা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱক ছাত্ৰ-ছাত্ৰীসকলে ফিট ইণ্ডিয়া ফ্ৰিদম ৰান কৰাৰ লগতে মহাবিদ্যালয় চৌহদত চাফাই অভিযান চলায়। বিয়লি চাৰি বজাত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয় আৰু গুৱাহাটীৰ এচ. বি. দেওৰা কলেজৰ যুটীয়া উদ্যোগত অনুষ্ঠিত ৱেব সন্মিলনত সমল ব্যক্তি অসম লোক সেৱা আয়োগৰ সদস্য ড° নিৰঞ্জন কলিতাই ৰাষ্ট্ৰীয় সেৱা আঁচনি প্ৰতিষ্ঠা দিৱসৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰে। ৱেব সন্মিলনত এচ.বি.দেউৰা কলেজৰ অধ্যক্ষ ড° ধৰ্মেন্দ্ৰ নাথ উপস্থিত থাকে আৰু এনএছএছৰ প্ৰগ্ৰাম অফিচাৰ ড° ৰুমামণি ডেকাই অনুষ্ঠানটি পৰিচালনা কৰে। মহাবিদ্যালয়ত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যাৱলী পৰিচালনা কৰে মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপক, এনএছএছৰ সমন্বয়ক ড° নুৰুল ইছলামে। অনুষ্ঠানত উপাধ্যক্ষা ড° মৌচুমী বৰদলৈ হাজৰিকা, শিক্ষকবৃন্দ, স্বেচ্ছাসেৱী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

DAINIK ASAM, Guwahati, Monday, September 20, 2021

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

মহানগৰ বাতৰি সেৱা



গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ আজি সামৰণি পৰে মহানগৰীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ। উল্লেখ্য যে দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি ১৮ ছেপ্টেম্বৰত দিনৰ ১১ বজাত মহাবিদ্যালয়খনৰ মুখ্য পৃষ্ঠপোষক তথা ভূতপূৰ্ব মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া আৰু প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত ধুলুক গগৈৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদানেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত বিশিষ্ট ব্যক্তিৰ আসন গ্ৰহণ আৰু তেওঁলোকক সম্বৰ্দ্ধনা জনোৱাৰ পাছতে সহকাৰী অধ্যাপিকা ইন্দ্ৰাণী গগৈ পানীফুকনে এটি ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে আদৰণী ভাষণত মহাবিদ্যালয়খনে কেনেকৈ বিভিন্নজনৰ ত্যাগৰ বলত আজিৰ ৰূপত প্ৰতিষ্ঠিত হৈছে তাৰ খতিয়ান দাঙি ধৰে। মহাবিদ্যালয়খনৰ প্ৰথমে একেটা গৃহতে পাঠদান চলি থকা আৰু এসময়ৰ চিটী কলেজ পৰৱৰ্তী সময়ত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয় আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কনিষ্ঠ মহাবিদ্যালয়ৰূপে প্ৰতিষ্ঠিত হ'ল সেই সন্দৰ্ভত তেওঁ কয়। পিছত মহাবিদ্যালয়ৰ নাৰী কেন্দ্ৰই প্ৰকাশ কৰা 'দ্য উইক' গ্ৰন্থখন উন্মোচিত হয়। চতুৰ্থ সংখ্যক এই গ্ৰন্থখন সম্পাদনা কৰিছে সহকাৰী অধ্যাপিকা ড° মৰমী চৌধুৰী আৰু ড° শাশ্বতী বৰুৱা ভূঞাই। মহাবিদ্যালয়ত দীঘলীয়া সময় ধৰি সম্পাদক হিচাপে কাৰ্য সম্পাদন কৰি যোৱা অজয় বৰগোহাঁয়ে কেনেকৈ মহাবিদ্যালয়খনে মানৱ সম্পদ গঢ়াত অৱদান আগবঢ়াই আহিছে সেই কথা ব্যক্ত কৰে। মহাবিদ্যালয়ৰ সংগীত 'আমি কৰ্মশ্ৰীয়ান' উন্মোচন কৰে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব মাধুৰিমা বৰুৱা সেনে। এই গীতটিৰ কথা অৰূপ দত্তৰ, সুৰ কৰিছে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ইন্দ্ৰাণী গগৈ পানীফুকনে আৰু সংগীত ব্যৱস্থাপনাত আছে প্ৰণয় দত্ত। কণ্ঠদান কৰিছে ইন্দ্ৰাণী গগৈ পানীফুকন, কৰবী ঠাকুৰীয়া, চয়নিকা, গীতাৰ্থ আৰু প্ৰণয় দত্তই। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° অৰ্চনা বৰুৱা গগৈয়ে মহাবিদ্যালয়ে পাৰ কৰি অহা কঠিন সময়ৰ উল্লেখেৰে অৱদান আগবঢ়াই যোৱা মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া আৰু প্ৰতিষ্ঠাপক ব্যক্তিসকলৰ অৱদানৰ সোঁৱৰণ কৰে। অধ্যাপিকা ড° তাচৰিনা হুছেইন, অধ্যাপক ড° অনুপ ডেকা, ৰূপালী বৰা, ৰাজীব আলী, দিগন্ত শৰ্মাই বক্তব্যত মহাবিদ্যালয়খনৰ ঐতিহ্যৰ বিষয়ে সদৰি কৰে। প্ৰাক্তন ছাত্ৰ ভাস্কৰজ্যোতি দাসে মহাবিদ্যালয়খনৰ লগতে শিক্ষাগুৰুসকলৰ অৱদানৰ কথা ব্যক্ত কৰে। অনুষ্ঠানৰ শেষত ধৰে সহকাৰী অধ্যাপিকা ড° ডেইজী নাথ চৌধুৰীয়ে আৰু শলাগ জ্ঞাপন কৰে উপাধ্যক্ষা ড° মৌচুমী বৰদলৈ হাজৰিকাই। আজি সন্ধিয়া মহাবিদ্যালয় চৌহদত ৩৩ গছি বন্তি প্ৰজ্বলন কৰাৰ লগতে মহাবিদ্যালয় পৰিয়ালবৰ্গৰ সময়ৰ গতিত হেৰাই যোৱা প্ৰতিশ্ৰুতিশালী ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অনুষ্ঠানৰ সামৰণি কৰে।

আমাৰ অসম
২০ ছেপ্টেম্বৰ, ২০২১ সোমবাৰ, গুৱাহাটী

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

'আমাৰ অসম'ৰ মহানগৰ বাতৰি, ১৯ ছেপ্টেম্বৰ, গুৱাহাটীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ৩৩সংখ্যক প্ৰতিষ্ঠা দিৱস শনি আৰু দেওবাৰে দুদিনীয়াকৈ উদ্‌যাপন কৰা হয়। শনিবাৰে পুৱাৰ ভাগত মহাবিদ্যালয়খনৰ প্ৰধান পৃষ্ঠপোষক অসমৰ প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত ধুলুক গগৈৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰা হয়। সহকাৰী অধ্যাপিকা ইন্দ্ৰাণী গগৈ পানীফুকনে এটি ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰা অনুষ্ঠানত অধ্যক্ষা ড° শিখামণি কোঁৱৰে আদৰণি ভাষণ দিয়ে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ নাৰী কেন্দ্ৰই প্ৰকাশ কৰা 'The Week' গ্ৰন্থখন উন্মোচিত হয়। ৪ৰ্থ সংখ্যক এই গ্ৰন্থখন সম্পাদনা কৰিছে সহকাৰী অধ্যাপিকা ড° মৰমী চৌধুৰী আৰু ড° শাশ্বতী বৰুৱা ভূঞাই। মহাবিদ্যালয়খনত দীঘলীয়া সময় সম্পাদক হিচাপে কৰ্ম পালন কৰি যোৱা অজয় বৰগোহাঁইয়ে ভাষণ দিয়া অনুষ্ঠানত মহাবিদ্যালয়ৰ সংগীত 'আমি কৰ্মশ্ৰীয়ান' উন্মোচন কৰে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব মাধুৰীমা বৰুৱা সেনে। এই গীতটিৰ কথা অৰূপ দত্তৰ, সুৰ কৰিছে মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ইন্দ্ৰাণী গগৈ পানী ফুকনে আৰু সংগীত ব্যৱস্থাপনাত আছে প্ৰণয় দত্ত। কণ্ঠ দান কৰিছে ইন্দ্ৰাণী গগৈ পানীফুকন, কৰবী ঠাকুৰীয়া, চয়নীকা, গীতাৰ্থ আৰু প্ৰণয় দত্তই। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° অৰ্চনা বৰুৱা গগৈয়ে ভাষণ দিয়ে। অধ্যাপিকা ড° তাচৰিনা হুছেইন, অধ্যাপক ড° অনুপ ডেকা, ৰূপালী বৰা, ৰজব আলী, দিগন্ত শৰ্মাই বক্তব্যত মহাবিদ্যালয়খনৰ ঐতিহ্যৰ বিষয়ে মন্তব্য আগবঢ়ায়।

THE ASSAM TRIBUNE, GUWAHATI

FRIDAY, JULY 23, 2021

# City college organises lecture series for students

GUWAHATI, July 22: Karmashree Hiteswar Saikia College here organised a series of online classes and lectures delivered by teachers of different colleges and universities of Assam from July 3 to 20, said a press release issued today.

On July 3 the college's Department of English organised a lecture on the topic 'Significance of Nature in Romantic Poetry' by Sudipta Phukan, Assistant Professor, Department of English, Pandit Deendayal Upadhyaya Adarsha Mahavidyalaya, Amjonga, Goalpara. She spoke on how Nature was instrumental in shaping the English literature, specially poetry, during the Romantic period.

On July 4 the Department of Assamese organised a lecture on the topic 'Bartaman Xamai, Axomia Sahittya Aru Sahittyar Natun Rup' wherein Prof Maheswar Kalita, Department of Assamese, Cotton University, spoke on the changing trends of Assamese literature in the present-day context.

On July 12 Sudarshan Roy, senior professor, Department of Political Science, BN College, Dhubri while speaking on the topic 'Conceptualizing Indian Federalism', observed that the unique federal structure of India framed by the makers of the Constitution is behind the union and integration of its different states. The lecture was organised by the Department of Political Science of the host college.

On July 13 a lecture was organised by the Department of Education wherein Dr Marami Goswami, HOD, Post Graduate Department of Education, Anita Baruah Sarmah College of Education, NERIM and retired associate professor of Guwahati College, spoke on the topic 'E-Learning: Its Pedagogical Benefits and Challenges'. In her lecture she said that the present e-learning approach is based on the emerging idea of 'Everywhere Learning'.

On July 14 Dr Suchitra Dey, Associate Professor, Department of Philosophy, B Borooah College spoke on 'A Glimpse of Vivekananda's Philosophy of Education' organised by the host college's Department of Philosophy. In her lecture, Dr Dey threw light on Vivekananda's practical Vedanta and educational values.

The Department of Economics organised two lectures, one on July 16 on the topic 'The Movement of Vocal for Local: A Study of Micro Entrepreneurship of Assam' and the other on July 17 on 'Covid-19 Impact on Indian Economy'. In the first lecture Gitanjali Goswami, Assistant Professor, Department of Economics, Barbhag College, highlighted the potentialities of Assam in developing micro entrepreneurship by harnessing its rich natural resources. In the second lecture Dr Prasanta Saikia, HOD, Department of Economics, Sonapur College deliberated on how the Covid-19 pandemic has affected the economy of India and the entire world, and how the available economic resources can be utilised to better the situation.

The final lecture of the series was organised on July 20 by the Department of History on the topic 'Participation of Women in Freedom Struggle'. Delivering the lecture, Dr Manjula Phukan, HOD, Department of History, B Borooah College, highlighted the fact that the women freedom fighters from different regions of India were not lagging behind their male counterparts in taking part in the freedom struggle.

All the lectures were inaugurated by Dr Sidhartha Konwar, Principal of the host college, who reiterated the importance of such lectures for benefit of the students who are being deprived of the real classroom teaching during the Covid-19 pandemic.

The lectures were attended by students and teachers of different colleges of Guwahati and other parts of the State, the press release added.

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ২২ জুলাই, ২০২১/৫ শাওণ, ১৯৪৩ শক

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কলেজত বক্তৃতানুষ্ঠান

প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২১ জুলাই : কোৱোনা মহামাৰীৰ পৰিপ্ৰেক্ষিতত শিক্ষাদান প্ৰক্ৰিয়াত দেখা দিয়া সমস্যাৰ পৰা ছাত্ৰ-ছাত্ৰীক কিছু উপকৃত কৰাৰ উদ্দেশ্যৰে গুৱাহাটীৰ ছয়মাইলত থকা কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ে অনুষ্ঠিত কৰা এলানি বক্তৃতানুষ্ঠানৰ কালি সামৰণি পৰে। ১২ জুলাইত 'ৰাজনীতি বিজ্ঞানৰ ধাৰণা', ১৩ জুলাইত 'ই-লাৰ্নিং : ইটছ পেডজোজিকেল বেনিফিটছ এণ্ড চেলেঞ্জেছ', ১৪ জুলাইত 'এ গ্লিম্পছ অন বিবেকানন্দ ফিলোছফী অব্ এডুকেচন', ১৬ জুলাইত 'দা মুভমেণ্ট অব্ ভোকেল ফৰ লোকেল : এ ষ্টাডী অব্ মাইক্ৰ' এণ্টাৰপ্ৰিনিয়ৰশ্বিপ অব্ আছাম', ১৭ জুলাইত 'ক'ভিড-১৯ : ইম্পেক্ট অব্ ইণ্ডিয়ান ইক'নমি' আৰু ২০ জুলাইত 'পাৰ্টিচিপেচন অব্ ৱমেন ইন ফ্ৰীডম ষ্ট্ৰাগল' শীৰ্ষক বিষয়ত বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনলাইনযোগে অনুষ্ঠিত এই শৈক্ষিক বক্তৃতানুষ্ঠানত প্ৰতিদিনে ৰাজ্যৰ ভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ অধ্যাপকে বক্তৃতা প্ৰদান কৰে। এই বক্তৃতানুষ্ঠানকেইটাই ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিব পাৰিছে বুলি আশা ব্যক্ত কৰে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিখামণি কোঁৱৰে।

নিয়মীয়া বাৰ্তা
বৃহস্পতিবাৰ, ২২ জুলাই ২০২১

# ছয়মাইলৰ হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত শৈক্ষিক বক্তৃতানুষ্ঠান সম্পন্ন

মহানগৰ বাৰ্তা, ২১ জুলাই : গুৱাহাটীৰ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ে মহামাৰী ক'ৰোনাৰ পৰিপ্ৰেক্ষিতত শিক্ষাদান প্ৰক্ৰিয়াত দেখা দিয়া সমস্যাৰ পৰা ছাত্ৰ-ছাত্ৰীক কিছু উপকৃত কৰাৰ মানসেৰে অসমৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ অধ্যাপক- অধ্যাপিকাৰ দ্বাৰা অনলাইন মাধ্যমেৰে পাঠ বিষয়ৰ আধাৰত এলানি বক্তৃতা অনুষ্ঠিত কৰে। ১২ জুলাইত মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগে আয়োজন কৰা 'Conceptualizing of Political Science' শীৰ্ষক বিষয়ত বি এন কলেজ ধুবুৰীৰ ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক সুদৰ্শন ৰয়ে ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ ওপৰত আলোকপাত কৰে। ভাৰতীয় সংবিধান নিৰ্মাতাসকলে অংগৰাজ্যবোৰক একতাৰে বান্ধি ৰখাৰ ফলত যে ৰাজ্যবোৰে অকলশৰীয়া অনুভৱ নকৰে সেই বিষয়ে তেওঁ বিশদ আলোচনা আগবঢ়ায়। ১৩ জুলাইত শিক্ষা বিভাগে আয়োজন কৰা 'E-learning : Its Pedogogical Benefits and Challenges' শীৰ্ষক বক্তৃতাত গুৱাহাটী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা তথা অনিতা বৰুৱা শৰ্মা শিক্ষণ মহাবিদ্যালয়ৰ (NERIM) শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৰমী গোস্বামীয়ে অনলাইন শিক্ষণ আৰু E-শিক্ষাৰ পাৰ্থক্য দাঙি ধৰে। ১৪ জুলাইত দৰ্শন বিভাগে আয়োজন কৰা বক্তৃতা 'A Glimpse on Vivekananda's Pholosophy of Education' শীৰ্ষক বক্তৃতাত বি বৰুৱা কলেজৰ দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা ড° সুচিত্ৰা দে'য়ে বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত, শিক্ষাত পদ্ধতিগত চিন্তা, ইচ্ছা, অনুভৱ ইত্যাদি দিশৰ ওপৰত আলোকপাত কৰে। মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগে দুটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। ১৬ জুলাইত 'The movement of 'Vocal for Local' : A Study of Micro Entrepreneuship of Assam' শীৰ্ষক বিষয়ত বৰভাগ কলেজৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা গীতাঞ্জলি গোস্বামীয়ে প্ৰাকৃতিক সম্পদত চহকী অসমৰ থলুৱা উদ্যোগ ব্যৱস্থাৰ ওপৰত আলোকপাত কৰে। ১৭ জুলাইত অৰ্থনীতি বিভাগে আয়োজন কৰা 'Covid-19 Impact of Indian Economy' বিষয়ত সোণাপুৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° প্ৰশান্ত শইকীয়াই ভাৰতীয় অৰ্থনীতি, ক'ভিড মহামাৰীৰ প্ৰভাৱ, সৰ্বসাধাৰণ তথা ছাত্ৰ সমাজত পৰা সু আৰু কু-প্ৰভাৱৰ বিষয়ে আলোচনা আগবঢ়ায়। ২০ জুলাইত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগে আয়োজন কৰা 'Participation of Women in Freedom Strugle' শীৰ্ষক বক্তৃতাত গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী সহযোগী অধ্যাপিকা ড° মঞ্জুলা ফুকনে ভাৰতৰ স্বাধীনতা আন্দোলনত ভাৰতৰ বিভিন্ন ঠাইৰ মহিলাসকলৰ লগতে অসমৰ মহিলাসকলৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সহযোগ, তেওঁলোকে পুৰুষসকলক আন্দোলনত যোগ দিয়াত কেনেকৈ সহায় কৰিছিল, কেনেকৈ ধন সংগ্ৰহ কৰি আন্দোলনত সহায় কৰিছিল, প্ৰয়োজনত নিজৰ অলংকাৰ-পাতিও আন্দোলনৰ নামত উৎসৰ্গা কৰিছিল সেই বিষয়ে বিশদ আলোচনা আগবঢ়ায়। আটাইকেইটা বক্তৃতানুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে আদৰণী ভাষণত মন্তব্য আগবঢ়ায় যে বিভিন্ন বিষয়ৰ এই বক্তৃতাৰাজিয়ে ছাত্ৰ সমাজক উপকৃত কৰিব। Google meet মাধ্যমত অনুষ্ঠিত এই বক্তৃতাকেইটাত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অন্য মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েও অংশগ্ৰহণ কৰে।

THE ASSAM TRIBUNE,

TUESDAY, JUNE 22, 2021

## 7th International Day of Yoga celebrated



*Kamrup (M) administration in collaboration with Directorate of Ayush Assam and Directorate of Sports & Youth Welfare organising a yoga programme at the DTRP Indoor Stadium, in Guwahati on Monday. – AT photo*

man body, mind and soul.

The week-long events included essay writing and poster making competitions among students, webinars on importance of yoga. To mark the occasion Yogacharya Khokhan Baba demonstrated many yoga exercises.

Karmashree Hiteswar Saikia College's Internal Quality Assurance Cell (IQAC) and Department of English jointly organised an online lecture programme on the topic "Importance of Yoga during Pandemic" on the occasion of the 7th of Yoga, the Dr B Borooah Cancer Institute (BBCI), Guwahati announced that the institute would undertake a research project to understand yoga's role in improving the quality of life (QOL) in patients with cancer.

The research will be carried out under the supervision of Dr Mouchumee Bhattacharyya, professor of radiation oncology and Dr Kaberi Kakati, assistant professor of head and neck surgery.

The institute observed the day with an hour-long yoga performance by spe-

নিয়মীয়া বাৰ্তা

মঙলবাৰ, ২২ জুন ২০২১

# হিতেশ্বৰ শইকীয়া কলেজত বক্তৃতানুষ্ঠান

মহানগৰ বাৰ্তা, ২১ জুন ঃ সপ্তম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আজি ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত 'মহামাৰীৰ সময়ত যোগৰ গুৰুত্ব' শীৰ্ষক এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ ইংৰাজী আৰু অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত অনুষ্ঠিত বক্তৃতানুষ্ঠানত আদৰণী ভাষণ আগবঢ়াই অধ্যক্ষা ড° শিখামণি কোঁৱৰে। তেওঁ কয় যে ভাৰতবৰ্ষৰ এই প্ৰাচীন যোগ চৰ্চাৰ প্ৰতি বিশ্ববাসী আকৰ্ষিত হৈছে আৰু বিভিন্ন দেশে যোগ চৰ্চা কৰিবলৈ লৈছে। ড° কোঁৱৰে ছাত্ৰ-ছাত্ৰীক যোগ চৰ্চাত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। সমল ব্যক্তি চিকিৎসক ড° গোলোক ৰঞ্জন উপাধ্যায়ে যোগৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰি বিভিন্ন উপযোগী যোগৰ প্ৰদৰ্শন কৰে। মহামাৰী ক'ৰোনাৰ প্ৰতিৰোধত যোগৰ উপযোগিতাৰ বিষয়েও তেওঁ অৱগত কৰায়। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী ড° ৰঞ্জন কুমাৰ ভট্টই সমল ব্যক্তিৰ পৰিচয় দিয়াৰ লগতে অনুষ্ঠানটি পৰিচালনা কৰে। সহকাৰী অধ্যাপক ড° অনুপ কুমাৰ ডেকাই অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায়।

নিয়মীয়া বাৰ্তা
বুধবাৰ, ২৪ মাৰ্চ ২০২১

নেহৰু যুৱ কেন্দ্ৰ-এনএছএছ গোটৰ উদ্যোগ

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান



মহানগৰ বাৰ্তা, ২৩ মাৰ্চ ঃ আজাদিকা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত এক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু মহাবিদ্যালয়খনৰ এনএছএছ গোটৰ সহযোগত আয়োজন কৰা এই বক্তৃতানুষ্ঠানৰ শুভাৰম্ভ কৰি অধ্যক্ষ ড° শিখামণি কোঁৱৰে ছাত্ৰ-ছাত্ৰীসকলক ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে এক চমু খতিয়ান দাঙি ধৰে। অনুষ্ঠানত অধ্যাপক ড° পাৰমিতা দাস, ড° মৌচুমী পাঠকে ক্ৰমে মহাত্মা গান্ধীৰ জীৱন দৰ্শন আৰু ভাৰতৰ স্বাধীনতা আন্দোলন, নেতাজী সুভাষ চন্দ্ৰ বসুৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত নেহৰু যুৱ কেন্দ্ৰৰ জিলা বিষয়া মীৰা দাসেও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত প্ৰাক্তন ছাত্ৰী কৃষ্ণা কাৰ্কী আৰু মহাবিদ্যালয়ৰ ছাত্ৰ হৃদয়ানন্দ পুৰীক সম্বৰ্ধনা জনোৱা হয়। ড° নুৰুল ইছলামে আঁত ধৰা এই অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

THE ASSAM TRIBUNE, GUWAHATI 3

THURSDAY, MARCH 25, 2021

# Lecture prog to mark 75 years of Independence

GUWAHATI, March 24: Karmashree Hiteswar Saikia College here and Nehru Yuva Kendra Sangathan (NYKS), Ministry of Youth Affairs and Sports, Govt of India jointly organised a lecture programme as part of the celebration of 75 years of India's Independence 'Azadi Ka Amrut Mahotsav' in the college auditorium on Tuesday, according to a press release.

In her speech, resource person Prof Paromita Das, Dept of History, Gauhati University gave an account of the life and philosophy of Mahatma Gandhi starting from his early childhood, his transformation, fight against injustice and racial discrimination both in India and South Africa, to his stellar role in India's freedom struggle. She also emphasised that students must imbibe Gandhi's message of non-violence and 'Service to Man is service to God' slogan for spreading the values of peace and humanity in the world.

The other resource person Dr Moushumi Dutta Pathak, Associate Professor & HoD, Dept of History, Arya Vidyapeeth College Guwahati in her speech reflected on the life, philosophy and death mystery of Netaji Subhash Chandra Bose. Asserting Netaji's huge role in arousing the spirit of patriotism in the hearts of millions of Indians in their fight against the British, she termed him the unsung hero of India's 'war' of Independence. She also drew a parallel between Netaji and Gandhiji and showed how both of them are still relevant with regard to the issues of non-communalism, women empowerment and emancipation, untouchability and patriotism.

Delivering her welcome address, Principal of the host college Dr Sikhamoni Konwar spoke on the significance of celebration of 75 years of India's Independence 'Azadi ka Amrut Mahotsav' and appealed to the student community to study the history of India's freedom struggle ardently, and take pride and be guided by the life and philosophy of the great warriors of the freedom struggle.

Mira Das Saikia, District Youth Office of NYKS, Guwahati (M) also spoke on the occasion. The event was attended by Jiban Ch Doley, Programme Officer, NYKS and the teachers and students of the college.

The lectures were followed by an interactive session with the resource persons.

On the occasion Hridayananda Puri, a student of the college was felicitated for being honoured with the NCC Navel Wing Defence Secretary Ward, the only cadet from the North East and one among the ten awarded from all over India for the year 2020-21. Krishna Karki was also felicitated for getting the NSS State Award for the year 2019-20.

আমাৰ অসম

২৪ মার্চ, ২০২১ বুধবাৰ, গুৱাহাটী ★

## কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

'আমাৰ অসম' ৰ খাৰঘুলি বা জ্যোতিনগৰৰ প্ৰতিবেদক ২৩ মার্চ : নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ উদ্যোগত আৰু গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত মঙলবাৰে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে এটি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰি অধ্যক্ষা ড° শিখামণি কোঁৱৰে ছাত্ৰ-ছাত্ৰী সকলক ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে এক চমু খতিয়ান দাঙি ধৰে। বক্তৃতানুষ্ঠানৰ বক্তা হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাধ্যাপক ড° পাৰমিতা দাস, গুৱাহাটীৰ আৰ্যবিদ্যাপীঠ কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৌচুমী পাঠকে বিভিন্ন দিশত আলোচনা দাঙি ধৰে। নেহৰু যুৱ কেন্দ্ৰৰ জিলা বিষয়া মীৰা দাসে চমু বক্তব্য দাঙি ধৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ 2019-20 বৰ্ষৰ বাজিক বঁটা লাভ কৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ কৃষ্ণা কাৰ্কী আৰু উত্তৰ পূৰ্ব ভাৰতৰ প্ৰথম ডিফেন্স চেক্ৰেটেৰী বঁটা লাভ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ হৃদয়ানন্দ পূৰ্বীক মহাবিদ্যালয়ৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটি পৰিচালনা কৰে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমন্বয়ক তথা দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° নুৰুল ইছলামে।

অসমীয়া প্ৰতিদিন

'আজাদী কা অমৃত মহোৎসৱ'

## কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

গুৱাহাটী, ২৩ মার্চ : ভাৰত চৰকাৰে কপায়ণ কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ সৈতে সংগতি ৰাখি নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ উদ্যোগত, গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত মহাবিদ্যালয় প্ৰেক্ষাগৃহত আজি এক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰি অধ্যক্ষা ড° শিখামণি কোঁৱৰে ছাত্ৰ-ছাত্ৰীসকলক ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে চমু বক্তব্য দিয়ে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক ড° পাৰমিতা দাস, আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৌচুমী পাঠক আদিয়ে বক্তৃতা দিয়ে। একেটা অনুষ্ঠানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ২০১৯-২০ বৰ্ষৰ ৰাজ্যিক বঁটা লাভ কৰা মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী কৃষ্ণা কাৰ্কী আৰু উত্তৰ-পূৰ্ব ভাৰতৰ প্ৰথম ডিফেন্স ছেক্ৰেটেৰী বঁটা লাভ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ হৃদয়ানন্দ পূৰ্বীক মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানটো পৰিচালনা কৰে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমন্বয়ক তথা দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° নুৰুল ইছলামে।

DAINIK ASAM, Guwahati, Thursday, March 25, 2021

## কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন

মহানগৰ বাতৰি সেৱা

খানাপাৰা, ২৪ মার্চ : 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ উদ্যোগত আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত কালি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহানগৰীৰ ছয়মাইলৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানৰ উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাধ্যাপক ড° পাৰমিতা দাসে বক্তৃতা দি মহাত্মা গান্ধীৰ জীৱন দৰ্শনৰ আলোকপাত কৰে। অনুষ্ঠানত গুৱাহাটীৰ আৰ্যবিদ্যাপীঠ কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৌচুমী পাঠকে নেতাজী সুভাষ চন্দ্ৰ বসুৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কে আলোচনা কৰে। অনুষ্ঠানত নেহৰু যুৱ কেন্দ্ৰৰ জিলা বিষয়া মীৰা দাসে চমু বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ২০১৯-২০ বৰ্ষৰ ৰাজ্যিক বঁটা লাভ কৰা মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী কৃষ্ণা কাৰ্কী আৰু উত্তৰ-পূৰ্ব ভাৰতৰ প্ৰথম ডিফেন্স ছেক্ৰেটেৰী বঁটা লাভ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ হৃদয়ানন্দ পূৰ্বীক মহাবিদ্যালয়ৰ ফালৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমন্বয়ক তথা দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° নুৰুল ইছলামে পৰিচালনা কৰা এই অনুষ্ঠানত শলাগ জ্ঞাপন কৰে প্ৰাক্তন শিক্ষাৰ্থী তথা নেহৰু যুৱ কেন্দ্ৰৰ সদস্য কৃষ্ণা কাৰ্কীয়ে।

আমাৰ অসম
১৯ মাৰ্চ, ২০২১ শুকুৰবাৰ, গুৱাহাটী

## হিতেশ্বৰ শইকীয়া কলেজত কৰ্মশালা

'আমাৰ অসম'ৰ দীপেনপাৰাৰ প্ৰতিবেদক, ১৮ মাৰ্চ ঃ মহানগৰীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত 'চিত্ৰনাট্য নিৰ্মাণ, আৰ্হিপাঠ, ছপা আৰু বৈদ্যুতিন মাধ্যমৰ বিজ্ঞাপন' শীৰ্ষক কৰ্মশালাখনি সুখকৰে সামৰণি পৰে। সোমবাৰে আৰম্ভ হোৱা কৰ্মশালাখনি উদ্বোধন কৰে অধ্যক্ষা ড° শিখামণি কোঁৱৰে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৌচুমী বৰদলৈ হাজৰিকাই ভাষণ দিয়ে। পাঠ্যৰ লগত সংগতি ৰাখি এই কৰ্মশালা অনুষ্ঠিত হয়। ড° ভূপেন হাজৰিকা ৰিজ'নেল গৱৰ্ণমেণ্ট ফিল্ম এণ্ড টেলিভিচন ইনষ্টিটিউটৰ মচন পিকচাৰ ফটোগ্ৰাফীৰ মুৰব্বী অধ্যাপক কিশোৰ কুমাৰ শৰ্মাই ছাত্ৰ ছাত্ৰীসকলক 'চিত্ৰনাট্য নিৰ্মাণ- সাহিত্যৰ চিত্ৰায়ণ'ৰ বিষয়ে তথ্য সমৃদ্ধ জ্ঞান দান কৰাৰ লগতে কৌশলৰ জ্ঞান দিয়ে। সমল ব্যক্তি অমৃত চেতিয়াই আৰ্হি পাঠৰ পদ্ধতি আৰু কৌশলৰ বিষয়ে বিতংভাৱে আলোচনা দাঙি ধৰে।

নিয়মীয়া বাৰ্তা
শুকুৰবাৰ, ১৯ মাৰ্চ ২০২১

## কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত কৰ্মশালা



মহানগৰ বাৰ্তা, ১৮ মাৰ্চ ঃ গুৱাহাটী মহানগৰীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত উক্ত শীৰ্ষক কৰ্মশালাখন তিনিদিনীয়াকৈ অনুষ্ঠিত হয়। ১৫ মাৰ্চত আৰম্ভ হোৱা কৰ্মশালা উদ্বোধন কৰি অধ্যক্ষা ড° শিখামণি কোঁৱৰে মন্তব্য কৰে এই কৰ্মশালাই ছাত্ৰ-ছাত্ৰীসকলক চিত্ৰনাট্য নিৰ্মাণৰ লগতে জড়িত কাৰিকৰী কৌশলো আয়ত্ত কৰাত বিশেষভাৱে সহায় কৰিব। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৌচুমী বৰদলৈ হাজৰিকাই কয়— ভাৰত চৰকাৰে পিএমকেভিৱাইৰ অধীনত যুৱ শক্তিৰ দক্ষতা বিকাশৰ যি আঁচনি হাতত লৈছে, তাৰ আধাৰত গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক পাঠ্যক্ৰমত দক্ষতা বিকাশ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিছে। পাঠ্যৰ লগত সংগতি ৰাখি এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। Dr. Bhupen Hazarika Regional Govt. Film & Television Instituteৰ Motion Picture Photographyৰ মুৰব্বী অধ্যাপক কিশোৰ কুমাৰ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক 'চিত্ৰনাট্য নিৰ্মাণ, সাহিত্যৰ চিত্ৰায়ণ'ৰ বিষয়ে তথ্যসমৃদ্ধ জ্ঞান দান কৰাৰ লগতে কৌশলৰ জ্ঞান দিয়ে। কি উদ্দেশ্যে ভাৰতত বিভিন্ন ধৰণৰ চিত্ৰ, তথ্যচিত্ৰ নিৰ্মাণ কৰা হয়, সাহিত্যই কিদৰে চিত্ৰৰ ৰূপ ধাৰণ কৰে সেই বিষয়েও শৰ্মাই আলোকপাত কৰে। সমল ব্যক্তি অমৃত চেতিয়াই আৰ্হি পাঠৰ পদ্ধতি আৰু কৌশলৰ বিষয়ে বিতংভাৱে আলোচনা দাঙি ধৰে। চেতিয়াই ছপা আৰু বৈদ্যুতিন মাধ্যম তথা বিজ্ঞাপনৰ বিষয়ে এক আলোচনাৰে ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰে। ১৫ মাৰ্চত আৰম্ভ হোৱা কৰ্মশালাখনিৰ ১৭ মাৰ্চত সফল সামৰণি পৰে।